জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৬৫/২০২২**

**নতুন দিল্লীত অসমৰ ইতিহাসৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনি 'অৰুণোদয় ২.০'ৰ ৰাজ্যব্যাপি শুভ উন্মোচন মুখ্যমন্ত্ৰীৰ**

# প্ৰায় ১০.৫০ লাখ নতুন হিতাধিকাৰীক অন্তৰ্ভূক্তিৰে ২৭ লাখলৈ বৃদ্ধি পাব মুঠ হিতাধিকাৰীৰ সংখ্যা

## চেৰিব্ৰেল পালচি, থেলাচেমিয়া, হেমোফিলিয়া, লেপ্ৰচি, অতিজিম স্পেকট্ৰাম বিসংগতি থকা খৰ্বকায় সদস্যৰ পৰিয়ালে অৰ্থনৈতিক চৰ্ত অবিহনে পাব অৰুণোদয়ৰ যোগ্যতা ঃ মুখ্যমন্ত্ৰী

- **এই আঁচনিখনৰ বাবে বছৰি ৪,১৪২ কোটি টকা ব্যয় হ'ব**
- **দিব্যাংগজন, তৃতীয় লিংগৰ ব্যক্তি আৰু বৃদ্ধাশ্ৰমত থকা ককা সকলকো সামৰি লোৱা হ'ব**
- **উপায়ুক্তসকলৰ বাবে ১ লাখ ২৬ হাজাৰ সংৰক্ষিত কোটা থাকিব**
- **অৰুণোদয়ত সংলগ্ন হ'ব দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধবা পেঞ্চন আঁচনি**
- **বছৰি আয় ২ লাখ টকাৰ তলৰ প্ৰাক্তন জনপ্ৰিতিনিধিয়ে পাব হিতাধিকাৰীৰ যোগ্যতা**

**দিছপুৰ, ১৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা, বৃদ্ধ, ৰোগী আৰু আৰ্তজনক অৰ্থনৈতিক আৰু পুষ্টিকৰ সুৰক্ষা প্ৰদানৰ লক্ষ্যৰে ৰাজ্যৰ লাখ লাখ দৰিদ্ৰ পৰিয়াললৈ আশাৰ ৰশ্মি কঢ়িয়াই আনি আজি নতুন দিল্লীত অসমৰ ইতিহাসৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনি 'অৰুণোদয় ২.০'ৰ ৰাজ্যব্যাপি শুভ উন্মোচন কৰে।

উল্লেখ্য যে 'এটা পৰিয়াল এখন আঁচনি' নীতিৰ জৰিয়তে ৰূপায়ণ হ'বলগীয়া এই আঁচনিখনৰ বাবে বছৰি ৪,১৪২ কোটি টকা ব্যয় হ'ব। দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধবা পেঞ্চন আঁচনিৰ হিতাধিকাৰীসকলক একগোট কৰি স্বতঃস্ফূৰ্তভাৱে অৰুণোদয় আঁচনিৰ অন্তৰ্ভূক্ত কৰা হ'ব। অৰুণোদয় আঁচনিৰ অধীনত ইতিমধ্যে ১৭ লাখৰো অধিক মহিলাই প্ৰতিমাহৰ ১০ তাৰিখে ১২৫০ টকাকৈ প্ৰত্যক্ষভাৱে তেওঁলোকৰ বেংক একাউণ্টত জমা লাভ কৰি আহিছে। বিশেষকৈ ক'ভিড মহামাৰীৰ সময়ত এই পৰিয়ালসমূহ যথেষ্ট উপকৃত হৈছিল। প্ৰায় ১০.৫০ লাখ নতুন হিতাধিকাৰীক সামৰি লোৱা 'অৰুণোদয় ২.০' আঁচনিখনত মুঠ হিতাধিকাৰীৰ সংখ্যা ২৭ লাখলৈ বৃদ্ধি পাব। এই আঁচনিত দিব্যাংগজন আৰু তৃতীয় লিঙ্গৰ ব্যক্তিৰ লগতে চেৰিব্ৰেল পালচি, থেলাচেমিয়া, হেমোফিলিয়া, লেপ্ৰচি, অতিজিম স্পেকট্ৰাম বিসংগতিপূৰ্ণ খৰ্বকায় সদস্য থকা পৰিয়ালসমূহকো অন্তৰ্ভূক্ত কৰা হ'ব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বতে কেৱল মহিলাসকলে আঁচনিখনৰ সুবিধা লাভ কৰিছিল যদিও বৰ্তমানে দিব্যাংগজন আৰু বৃদ্ধাশ্ৰমত থকা বৃদ্ধ লোকসকলেও

ইয়াৰ সুবিধা লাভ কৰিব পাৰিব। কেতবোৰ নিৰ্দিষ্ট ৰোগৰ ক্ষেত্ৰত অৰ্থনৈতিক দিশটো মাপকাঠি হিচাপে লোৱা নহ'ব বুলিও উল্লেখ কৰি কয় যে তেখেতসকলেও এই আঁচনিখনৰ দ্বাৰা উপকৃত হ'ব পাৰিব। উপায়ুক্তসকলৰ বাবে ১ লাখ ২৬ হাজাৰ সংৰক্ষিত কোটা থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অভিভাৱক মন্ত্ৰীৰ অনুমোদনক্ৰমে উপায়ুক্তই আঁচনিখনৰ হিতাধিকাৰীক নতুনকৈ অন্তৰ্ভূক্ত কৰিব পাৰিব। ইন্দিৰা মিৰি সাৰ্বজনীন বিধবা পেঞ্চন আঁচনি আৰু দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনিৰ হিতাধিকাৰীসকলে এতিয়াৰে পৰা ১২৫০ টকাকৈ লাভ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা জৰীপৰ সময়ত প্ৰায় ২ লাখ ৭৫ হাজাৰ হিতাধিকাৰীৰ নাম অৰুণোদয় হিতাধিকাৰীৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছিল। ইয়াৰ কাৰণ আছিল তেখেতসকলৰ কিছু সংখ্যকৰ পৰলোকপ্ৰাপ্তি ঘটা, কিছু সংখ্যকৰ ঠিকনাৰ সন্ধান নোপোৱা আৰু কিছু সংখ্যকৰ জৰীপকালীন সময়ছোৱাত দেখা গ'ল যে অৰ্থনৈতিক উন্নয়ন সাধন হৈ তেওঁলোক অৰুণোদয়ৰ যোগ্যতাৰ পৰা ওলাই আহিছে। তেওঁ কয় যে ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে সিদ্ধান্ত লয় যে যি সমষ্টিৰ পৰা অৰুণোদয়ৰ হিতাধিকাৰী বাদ পৰিব, সেই সমষ্টিতে অৰুণোদয়সমূহ পুনৰ ওভতাই দিব, যাতে নতুন হিতাধিকাৰীক সেই সমষ্টিৰ পৰাই ল'ব পৰা যায়।

তেওঁ কয় যে পূৰ্বে অৰুণোদয় হিতাধিকাৰী হ'বলৈ মহিলা হোৱাটো বাধ্যতামূলক আছিল। বৰ্তমান এই সংজ্ঞা সলনি কৰি দিব্যাংগজন আৰু তৃতীয় লিংগৰ ব্যক্তিলৈ ইয়াক সম্প্ৰসাৰিত কৰা হৈছে। তদুপৰি, বৃদ্ধাশ্ৰমত থকা ককাসকলকো অৰুণোদয় আঁচনিৰ অন্তৰ্ভূক্ত কৰাৰ বাবে উপায়ুক্তসকলৰ বাবেও বিবেচনাধীন সংৰক্ষণ ক্ষমতা (কোটা) ৰখা হৈছে বুলি তেওঁ কয়। এই সংৰক্ষিত হিতাধিকাৰীৰ কোটাৰ সংখ্যা হ'ব ১ লাখ ২৬ হাজাৰ। উপায়ুক্তসকলে এই সংৰক্ষিত হিতাধিকাৰীৰ তালিকাখন ডি এল এম চি আৰু অভিভাৱক মন্ত্ৰীৰ অনুমোদনৰ কাৰণে প্ৰেৰণ কৰিব। কোন জিলাত কিমান সংৰক্ষিত কোটা থাকিব সেয়া সময়ত নিৰ্দ্ধাৰণ কৰা হ'ব আৰু এই তালিকা ১০ এপ্ৰিলৰ আগতে চূড়ান্ত হ'ব লাগিব বুলি কোনো বাধ্যবাধকতা নাই বুলি তেওঁ কয়।

দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধবা পেঞ্চন আঁচনিৰ হিতাধিকাৰীসকল অৰুণোদয় আঁচনিত সংলগ্ন হোৱাৰ পিছত হিতাধিকাৰীৰ পৰিয়ালৰ কোনো লোকচান নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় দিনক দিনে বাঢ়ি গৈ থাকিব আৰু অৱশেষত ইয়ে একে ধৰণে উপকৃত কৰিব। তেওঁ কয় যে ইন্দিৰা মিৰি সাৰ্বজনীন বিধবা পেঞ্চন আঁচনিৰ ধন ৩০০ টকাৰ পৰা অৰুণোদয়ত সংলগ্ন হোৱাৰ লগে লগে হিতাধিকাৰীসকলে ১২৫০ টকাকৈ পাব। ঠিক তেনেদৰে দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনিৰ হিতাধিকাৰীসকলে পূৰ্বে লাভ কৰা ১০০০ টকাৰ পৰা অৰুণোদয়ত অন্তৰ্ভূক্ত হোৱাৰ লগে লগে ১২৫০ টকাকৈ পাব। অৱশ্যে ডাটাবেছৰ আনুসংগিক কাম-কাজৰ বাবে এই ক্ষেত্ৰত আধাৰ নম্বৰ আৰু ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰৰ নম্বৰসহ হিতাধিকাৰীসকলে নিৰ্দিষ্ট প্ৰপত্ৰ পূৰণ কৰিব লাগিব। অহা ১ এপ্ৰিলৰ পৰা অৰুণোদয় আঁচনিত সংলগ্ন হোৱাৰ লগে লগে দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধবা পেঞ্চন আঁচনি বন্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচীৰ অধীনত বিধবা মহিলাসকলে বৰ্তমানে পাই থকা ৩০০ টকাৰ পৰা

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

১২৫০ টকালৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে সমাজ কল্যাণ বিভাগক হিতাধিকাৰীসকললৈ অতিৰিক্ত ৯০০ টকাকৈ আগবঢ়োৱাৰ বাবে ৰাজ্য চৰকাৰে অহা বাজেটত পুঁজি ধাৰ্য কৰিব বুলি উল্লেখ কৰে। আনহাতে, বৰ্তমান কাৰ্যৰত জনপ্ৰতিনিধিসকলক এই আঁচনিৰ অন্তৰ্ভূক্ত কৰা নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিসকলৰ বছৰি আয় ২ লাখ টকাৰ তলত সেইসকল প্ৰাক্তন জনপ্ৰিতিনিধিক অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ বাবে যোগ্যতা প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে চেৰিব্ৰেল পালচি, থেলাচেমিয়া, হেমোফিলিয়া, লেপ্ৰচি, অতিজিম স্পেকট্ৰাম বিসংগতি পূৰ্ণ খৰ্বকায় সদস্য থকা পৰিয়ালৰ ক্ষেত্ৰত অৰ্থনৈতিক চৰ্ত নাৰাখি তেওঁলোকক অৰুণোদয় আঁচনিৰ যোগ্য বিবেচিত কৰা হ'ব। যিহেতু চৰকাৰী কৰ্মচাৰী আৰু পেঞ্চনাৰৰ বাবে চৰকাৰৰ চিকিৎসা ব্যয় পৰিশোধৰ ব্যৱস্থা আছে, গতিকে তেওঁলোকক অৰুণোদয় আঁচনিৰ বাবে যোগ্য বুলি বিবেচিত নহ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে বিধবা মহিলা, অবিবাহিত যুৱতী, বিবাহ বিচ্ছেদিত মহিলা, স্বামীয়ে পৰিত্যাগ কৰাৰ পিছত পৃথকে থকা মহিলাসকলক এই আঁচনিত অন্তৰ্ভূক্তিৰ বাবে প্ৰাথমিকতা দিয়াৰ লগতে দিব্যাংগ আৰু চেৰিব্ৰেল পালচি, থেলাচেমিয়া, হেমোফিলিয়া, লেপ্ৰচি, অতিজিম স্পেকট্ৰাম বিসংগতি পূৰ্ণ খৰ্বকায় সদস্য থকা পৰিয়াল, গ্ৰামাঞ্চলৰ কেচাঁ মাটিৰ গৃহত থকা পৰিয়াল, পৰিয়ালৰ একমাত্ৰ উপাৰ্জনক্ষম মহিলা, মানৱ সৰবৰাহৰ বলি হোৱা শিশুৰ পৰিয়ালত যদিহে আন শিশু থাকে আৰু তেওঁলোকক যদি নিজ গৃহলৈ লৈ আহে, ধৰ্ষণৰ বলি হোৱা মহিলাক নাম প্ৰকাশ নকৰাকৈ অৰুণোদয় আঁচনিৰ অন্তৰ্ভূক্তিৰ বাবে প্ৰাধান্য দিয়া হ'ব।

অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, বিত্ত বিভাগৰ আয়ুক্ত সচিব জয়ন্ত নাৰ্লেকাৰ, প্ৰধান আৱাসিক আয়ুক্ত ৰাজীৱ যোশীও উপস্থিত থাকে।

**ইঃজাঃ / পুঃডেঃ / হেঃশেঃ**
**১৪/১২/২০২২**